**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামেদ অল-থানিৰ সৈতে বৈঠকত মিলিত হ'ব।

২। নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক দেশৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

৩। পৰীক্ষা পে চৰ্চা ২০২৫ৰ নতুন সংস্কৰণ আজি মুকলি কৰা হ'ব।

৪। ভাৰতৰ তাৰকা শ্বুটাৰ মনু ভাকেৰক **বিবিচি ইণ্ডিয়ানছ স্পৰ্টছ ওমেন অৱ দা ইয়াৰ** হিচাপে ঘোষণা কৰা হৈছে। **আৰু**

৫। বড়োদৰাত কালি অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ডেলহী কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামেদ অল-থানিৰ সৈতে বৈঠকত মিলিত হ'ব। কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামেদ অল-থানি দুদিনীয়া ভ্ৰমণসূচী লৈ কালি নতুন দিল্লীত উপস্থিত হয়। মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়িক প্ৰতিনিধিক লৈ গঠিত এটা উচ্চ পৰ্যায়ৰ দলো তেওঁৰ সৈতে আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বিমানবন্দৰত কাটাৰৰ আমিৰগৰাকীক সম্বৰ্ধনা জনায়। ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত আজি শ্বেখ তামিম বিন হামেদ অল-থানিক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ লগতে তেওঁ সন্মানাৰ্থে ভোজ মেলৰো আয়োজন কৰা হৈছে। শ্বেখ তামিমে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে আজি হ'বলগীয়া আলোচনাত ভাৰত আৰু কাটাৰৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ সম্পৰ্কত আলোকপাত কৰা হ'ব বুলি আশা কৰা হৈছে।

০০০০০

নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক দেশৰ নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ কাৰ্যকালৰ আজি অন্ত পৰিব। ১৯৮৮ চনৰ কেৰালা কেডাৰৰ প্ৰাক্তন ভাৰতীয় প্ৰশাসনিক বিষয়া জ্ঞানেশ কুমাৰে সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব হিচাপে কাৰ্যৰত আছিল।

ড০ বিৱেক যোশীক নতুন নিৰ্বাচন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। ১৯৮৯ চনৰ হাৰিয়ানা কেডাৰৰ শ্ৰীযোশীও এগৰাকী ভাৰতীয় প্ৰশাসনিক বিষয়া। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুয়োগৰাকী আয়ুক্তক নিযুক্তি দিয়ে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰত নতুন ফৌজদাৰী আইন ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত ভাগ ল'ব। বৈঠকত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু উপ-ৰাজ্যপাল মনোজ সিনহাও উপস্থিত থাকিব। বৈঠকত আৰক্ষী, কাৰাগাৰ, আদালত আদি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হ'ব। এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব জম্মু কাশ্মীৰৰ মুখ্য সচিবৰ লগতে কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকিব।

ooooo

নতুন দিল্লীত কাইলৈ বিজেপি বিধায়িনী দলৰ বৈঠক হোৱাৰ সম্ভাৱনা আছে। এই বৈঠকত দলৰ জ্যেষ্ঠ নেতাসকলৰ লগতে বিজেপিৰ নৱনিৰ্বাচিত আঠাইকেইটা বিধায়কে অংশগ্ৰহণ কৰিব। দলীয় সূত্ৰৰ তথ্য অনুসৰি বৈঠকৰ সময়ত দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ নাম চূড়ান্ত হোৱাৰ সম্ভাৱনা আছে। পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠান চলিত মাহৰ ২০ তাৰিখে নতুন দিল্লীৰ ৰামলীলা ময়দানত অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ বিষয়েও সূত্ৰটোৱে প্ৰকাশ কৰে। ইপিনে নতুন দিল্লীত কালি দিল্লী বিজেপি নেতাৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ টাৱড়ে আৰু দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱাৰ লগতে দলৰ আন আন নেতাসকল উপস্থিত থাকে।

ooooo

ooooo

দেশজুৰি কালিৰে পৰা ফাষ্টটেগৰ নতুন কৰ নীতি কাৰ্যকৰী হৈছে। নেচনেল পেমেণ্টছ কৰ্পৰেচন অৱ ইণ্ডিয়া আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে টোলগে'টসমূহত যান-বাহনৰ কৰ সংগ্ৰহ ব্যৱস্থাৰ ক্ষেত্ৰত কালিৰে পৰা কিছু সালসলনি কৰিছে। সেই অনুসৰি কৰ সংগ্ৰহৰ বৈদ্যুতিন ব্যৱস্থাৰ ফাষ্টটেগত নিৰ্দিষ্ট পৰিমাণতকৈ কম ধনৰাশি থাকিলে, লেনদেনত বিলম্ব হ'লে নতুবা টেগসমূহ নিষ্ক্ৰিয় হৈ থাকিলে অতিৰিক্ত কৰ আদায় কৰা হ'ব। তদুপৰি টোলগে'ট পাৰ হোৱাৰ এঘণ্টা পূৰ্বে আৰু পাৰ হোৱাৰ ১০ মিনিট পাছত ফাষ্টটেগ নিষ্ক্ৰিয় হৈ থাকিলেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

ooooo

**পৰীক্ষা পে চৰ্চা ২০২৫**ৰ নতুন সংস্কৰণ আজি মুকলি কৰা হ'ব। এই সংস্কৰণত বিভিন্ন পৰীক্ষাত শীৰ্ষস্থান দখল কৰা কেইবাগৰাকীও ব্যক্তিয়ে পৰীক্ষাৰ মানসিক চাপ, উদ্বেগ আৰু হেঁচা হ্ৰাস কৰিবলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ মনোভাৱ ব্যক্ত কৰাৰ লগতে পৰামৰ্শ আগবঢ়াব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত এই বিষয়ে এটা ভিডিঅ' শ্বেয়াৰ কৰি কয়, যে **পৰীক্ষা পে চৰ্চা**ৰ এই খণ্ডটোত বিভিন্ন পৰীক্ষাত বিশেষ সফলতা অৰ্জন কৰা শিক্ষাৰ্থীসকলে পৰীক্ষাৰ মানসিক চাপ আৰু উদ্বেগক কেনেদৰে সফলতাৰে অতিক্ৰম কৰিব পাৰি সেই বিষয়ে তেওঁলোকৰ অভিজ্ঞতা শ্বেয়াৰ কৰিব।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰচাৰিত অভিযোগ খণ্ডন কৰিছে। একাংশ লোকে অসৎ উদ্দেশ্যৰে প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত উৰাবাতৰি প্ৰচাৰ কৰি থকা বুলি পৰিষদে প্ৰকাশ কৰিছে। এই অভিযোগ সমূহ ভিত্তিহীন আৰু ইয়াৰ উদ্দেশ্য পৰীক্ষাৰ্থী তথা তেওঁলোকৰ অভিভাৱকসকলৰ মনত ভয় আৰু উৎকণ্ঠা সৃষ্টিৰ উদ্দেশ্যেৰে

এইধৰণৰ উৰাবাতৰি প্ৰচাৰ কৰা হৈছে বুলি পৰিষদে মন্তব্য কৰে। পৰিষদৰ বিষয়ববীয়াই পৰীক্ষাৰ সৈতে জড়িত সকলো ব্যৱস্থাৰ অহৰহ পৰ্যবেক্ষণ কৰি আছে আৰু ভুল তথ্য প্ৰচাৰৰ বাবে জগৰীয়া লোকৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি পৰিষদে জানিবলৈ দিয়ে। পৰিষদে লগতে অভিভাৱকসকলক এই ধৰণৰ উৰাবাতৰি বিশ্বাস নকৰিবলৈ আহ্বান জনায়। পৰীক্ষা সম্বন্ধীয় সকলো ধৰণৰ তথ্য পৰিষদৰ ৱেৰছাইট www.cbse.gov.in ত উপলব্ধ বুলিও পৰিষদে পৰীক্ষাৰ্থী, অভিভাৱক আৰু বিদ্যালয়সমূহক আশ্বস্ত কৰে।

ooooo

নতুন দিল্লীত কালি সীমান্ত সুৰক্ষা বাহিনী - বি এছ্ এফৰ উদ্যোগত ভাৰত আৰু বাংলাদেশৰ মাজত ৫৫ সংখ্যক সঞ্চালক পৰ্যায়ৰ সীমা সহযোগিতা সন্মিলন আৰম্ভ হৈছে।

ভাৰতৰ সীমান্ত সুৰক্ষা বাহিনী আৰু বাংলাদেশৰ সীমান্তৰক্ষী বি জি বিৰ মাজত অহা ২০ ফেব্ৰুৱাৰীলৈ এই সন্মিলন অব্যাহত থাকিব। বি এছ্ এফৰ সঞ্চালক প্ৰধান দলজিৎ সিং চৌধাৰীৰ নেতৃত্বত ভাৰতৰ বি এছ্ এফৰ প্ৰতিনিধি দলে বি জি বিৰ সঞ্চালক প্ৰধান মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফুজামান চিদ্দিকিৰ নেতৃত্বত অহা বি জি বিৰ প্ৰতিনিধি দলৰ সৈতে সীমান্ত সম্পৰ্কীয় বিষয়সমূহ আলোচনা কৰিব। ইয়াৰ লগতে এই সন্মিলনত দুয়ো দেশৰ সীমান্তৰক্ষী বাহিনীৰ মাজত সহযোগিতা উন্নত কৰা বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। এই সন্মিলনতে বাংলাদেশৰ দুৰ্বৃত্তই বি এছ্ এফৰ জোৱান আৰু ভাৰতীয় নাগৰিকক কৰা আক্ৰমণ প্ৰতিৰোধ, সীমাৰ সিপাৰৰ অপৰাধ প্ৰতিৰোধৰ লগতে অন্যান্য বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰা হ'ব।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে সমাগত চেম্পিয়নছ ট্ৰফী ২০২৫ৰ বাবে ভাৰতীয় পুৰুষ দলটোৰ নতুন জাৰ্চি মুকলি কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত বিচিচিআয়ে খেলুৱৈসকলৰ জাৰ্চিৰ আলোকচিত্ৰ শ্বেয়াৰ কৰে। ৰোহিত শৰ্মা নেতৃত্বাধীন দলটোৱে পৰিধান কৰা নীলা ৰঙৰ জাৰ্চিৰ বাহুত ট্ৰাই কালাৰৰ লগতে চেম্পিয়ন ট্ৰফীৰ ল'গ' থাকিব। ভাৰতীয় দলটোৱে বৃহস্পতিবাৰে ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰতৰ তাৰকা শুটাৰ মনু ভাকেৰক পেৰিছ অলিম্পিকত দেখুওৱা উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে **বিবিচি ইণ্ডিয়ানছ স্পৰ্টছ ওমেন অৱ দা ইয়াৰ** হিচাপে ঘোষণা কৰা হৈছে। এই বঁটাৰ বাবে মনোনীত আন চাৰিগৰাকী খেলুৱৈৰ ভিতৰত গল্ফ খেলুৱৈ অদিতি আশোক, পেৰাশুটাৰ অৱনী লেখাৰা, ভাৰতীয় মহিলা ক্ৰিকেট দলৰ উপ-অধিনায়ক স্মৃতি মন্ধনা আৰু মল্লযোদ্ধা ভিনেশ ফোগাট আছিল। ক্ৰীড়া সাংবাদিক আৰু লেখকৰ জুৰীয়ে মনোনীত খেলুৱৈসকলৰ মাজৰ পৰা ভাকেৰক এই বঁটাৰ বাবে নিৰ্বাচিত কৰে। ২২ বছৰীয়া মনুৱে পেৰিছ অলিম্পিকত দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰি স্বাধীনতাৰ পাছত এই প্ৰতিযোগিতাত এটাতকৈ বেছি পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হয়। মনুৱে ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ ব্যক্তিগত শাখাত আৰু ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড দলীয়া শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

ooooo

বড়োদৰাৰ কোটাম্বি ষ্টেডিয়ামত কালি অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ডেলহী কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ডেলহী কেপিটেলছে নিৰ্ধাৰিত অভাৰত ১৪১ ৰাণ কৰে। দলটোৰ হৈ জেমিমা ৰ'দিগচে সৰ্বাধিক ৩৪ ৰাণ কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৭ অভাৰত নিৰ্ধাৰিত অভাৰত উপনীত হয়। দলটোৰ হৈ ৰেণুকা সিং ঠাকুৰ আৰু জৰ্জিয়া ৱেৰহামে তিনিটাকৈ উইকেট দখল কৰে। অধিনায়ক স্মৃতি মন্ধনা আৰু ডেনিয়েল ৱাইট হডজে আৰম্ভণিতে ১০৭ ৰাণৰ বৰঙণি আগবঢ়ায়। ৰেণুকা সিং ঠাকুৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। প্ৰতিযোগিতাৰ আজিৰ এখন খেলত গুজৰাট জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে খেলিব। বড়োদৰাৰ কোটাম্বি ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কালি ত্ৰয়োবিংশ ৰাষ্ট্ৰীয় পেৰা এথলেটিক্স চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। এইবাৰৰ প্ৰতিযোগিতাত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় এহেজাৰ ৫০০ পেৰা এথলীটে ১৫৫ টা শিতানত প্ৰতিদ্বন্দিতা আগবঢ়াব। দেশৰ কেইবাগৰাকীও তাৰকা পেৰা এথলীটে প্ৰতিযোগিতাত নিজৰ অংশগ্ৰহণ সুনিশ্চিত কৰিছে। তেওঁলোকৰ ভিতৰত জেভেলিনত সুমিত অন্তিল আৰু নৱদীপ সিং, হুইল ছেয়াৰ ৰেছিঙত মনোজ চাবাপাথি, শ্বটপুটত মনোজ শিংগৰাজ, মুথুৰাজা আৰু হোকাতো চেমা, হাইজাম্পত মাৰিয়াপ্পান থাংগাৱেলু আৰু ডিচকাচ থ্ৰোত য়োগেশ কথুনিয়া অন্যতম।

০০০০০

সমাপ্ত